# অধ্যায় ১ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি আৰু প্ৰকাৰ

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ নীতিশাস্ত্ৰৰ ধাৰণা

১.৪ নীতিশাস্ত্ৰৰ পৰিসৰ

১.৫ প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি

১.৬ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শন

১.৭ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ

১.৮ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন

১.৯ প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ

১.১০ প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা গুৰুত্বপূৰ্ণ মতবাদ

১.১১ প্ৰায়োগিক নীতিশাস্ত্ৰ আলোচনাৰ কিছুমান গুৰুত্বপূৰ্ণ নীতি

১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১৩ অধিক জানিবলৈ

১.১৪ অগ্ৰগতিৰ খতিয়ান

১.১৫ আৰ্হি প্ৰশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নীতিশাস্ত্ৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- নীতিশাস্ত্ৰৰ বিভিন্ন ধৰণৰ দিশ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰ কি জানিব পাৰিব
- আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ আৰু অধিনীতিশাস্ত্ৰৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শনৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ কি সেই বিষয়ে আলোচনা কৰিব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিব পাৰিব

- প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা গুৰুত্বপূৰ্ণ মতবাদ বিশ্লেষণ কৰিব পাৰিব
- প্ৰায়োগিক নীতিশাস্ত্ৰৰ আলোচনাৰ কিছুমান নীতি মূল্যায়ন কৰিব পাৰিব।

## ১.২. পৰিচয়

প্ৰথমতে, এই অধ্যায়টোৱে আপোনাক নীতি বিজ্ঞানৰ সকলো ধাৰণা সম্পৰ্কে অৱগত কৰাব। নীতিবিজ্ঞানৰ তিনিটা পৰিসৰ হ'ল আদৰ্শনিষ্ঠ বিজ্ঞান, অধি-নীতি বিজ্ঞান, আৰু প্ৰায়োগিক বিজ্ঞান। এই অধ্যায়টোৱে নীতিবিজ্ঞানৰ প্ৰকৃতি কি আৰু বিভিন্ন দিশ সম্পৰ্কে বিশ্লেষণ কৰিছে। আমিও দৰ্শন আৰু প্ৰায়োগিক নীতিবিজ্ঞান, প্ৰায়োগিক নীতিবিজ্ঞান আৰু নীতিবিজ্ঞান মাজত থকা পাৰ্থক্য পৰীক্ষা কৰিবলৈ চেষ্টা কৰিছো। ইয়াত নীতিবিজ্ঞানৰ লগত জড়িত তিনিটা মতবাদ আৰু কিছুমান গুৰুত্বপূৰ্ণ নীতিও আলোচনা কৰা হ'ব।

## ১.৩ নীতিবিজ্ঞানৰ ধাৰণা

নীতিবিজ্ঞান হ'ল দৰ্শনৰ এটা মুখ্য শাখা। নীতিবিজ্ঞান শব্দটো গ্ৰীক শব্দ 'Ethos' পৰা আহিছে, যাৰ অৰ্থ হ'ল ৰীতি নীতি বা অভ্যাস। নীতিবিজ্ঞানৰ মুখ্য কাম হ'ল মানুহে কি কৰা উচিত তাৰ ওপৰত আলোচনা আগবঢ়োৱা। গতিকে নীতিবিজ্ঞানক চৰিত্ৰৰ বিজ্ঞান, কৰ্মৰ অভ্যাস আৰু মানুহৰ আচৰণ সম্পৰ্কীয় বিজ্ঞান বুলি কোৱা হয়। নীতিশাস্ত্ৰই নৈতিক দৰ্শন আৰু দৰ্শন সম্বন্ধীয় নৈতিকতা, নৈতিক সমস্যা আৰু নৈতিক অৱধাৰণৰ বিষয়ে অধ্যয়ন কৰে। গতিকে, আমি ক'ব পাৰো যে চৰিত্ৰৰ বিজ্ঞান হিচাপে নীতিশাস্ত্ৰই আমাৰ আচৰণৰ শুদ্ধ আৰু অশুদ্ধৰ ধাৰণা সম্পৰ্কে মতামত আগবঢ়াই এক সংশ্লেষণাত্মক দিশ দাঙি ধৰে।

## ১.৪ নীতিবিজ্ঞানৰ পৰিসৰ

সাধাৰণতে নীতিশাস্ত্ৰক তিনিটা ভাগত ভাগ কৰিব পাৰি— অধি-নীতিশাস্ত্ৰ, আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক নীতিশাস্ত্ৰ।

**অধি-নীতিশাস্ত্ৰ ঃ** অধি-নীতিশাস্ত্ৰ হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্ৰৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে। অধিনীতিশাস্ত্ৰই নীতিশাস্ত্ৰৰ উৎস সম্পৰ্কে অনুসন্ধান কৰে য'ৰ পৰা নীতিশাস্ত্ৰৰ নীতি আহে আৰু সেইটোৱে কি বুজায়। অধি-নীতিশাস্ত্ৰ এক প্ৰকাৰৰ দৰ্শন সম্বন্ধীয় অনুসন্ধানকাৰী মতবাদ, যাক বিশ্লেষণাত্মক নীতিশাস্ত্ৰ বুলিও কোৱা হয়। অধি-নীতিশাস্ত্ৰ আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰৰ পৰা পৃথক। অধি-নীতিশাস্ত্ৰ শব্দটোক প্ৰথমতে তৰ্কীয় প্ৰত্যক্ষবাদীসকলে চিনাক্ত কৰিছিল। অধি-নীতিশাস্ত্ৰ প্ৰধানকৈ নৈতিক ধাৰণাৰ লগত জড়িত। 'অধিশাস্ত্ৰ' পদটোৱে

নিৰ্দেশ কৰে যে আমি নীতি শাস্ত্ৰক ব্যৱহাৰিক অংশ হিচাপে লোৱা নাই। কিন্তু অধি-নীতিশাস্ত্ৰই সেই ব্যৱহাৰিক অংশকেই প্ৰতিফলিত কৰে। ই কোনো নৈতিক মানদণ্ড যোগানৰ লগত জড়িত নহয়। নীতিশাস্ত্ৰত বিভিন্ন ধৰণৰ নীতিসম্বন্ধীয় পদ বিশ্লেষণ কৰা হয়। এটা বিখ্যাত নৈতিক পদ 'ভাল'ৰ বিশ্লেষণ কৰা হয়। বিশ্বজনীন নৈতিক ভাষাৰ সমস্যাবোৰ অধি-নীতিশাস্ত্ৰৰ পৰিসৰৰ লগত জড়িত হৈ থাকে। প্ৰশ্ন হ'ল কি প্ৰসংগত নৈতিকতা উদ্দেশ্য আৰু কৰ্তা, আপেক্ষিক আৰু পৰম এই সকলোবোৰ অধি-নীতিশাস্ত্ৰ অন্তৰ্ভুক্ত।

**আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ ঃ** নৈতিক মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে নৈতিক মানদণ্ডেৰে কোনো এটা কামৰ শুদ্ধ আৰু অশুদ্ধ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞান সদায় কিছুমান মানদণ্ডৰ লগত জড়িত আৰু সেই মানদণ্ডৰ দ্বাৰা আমাৰ কামৰ মূল্যায়ন কৰে। ই যথাযথ নৈতিক মানদণ্ডৰ এক মতবাদ প্ৰদান কৰে যাৰ দ্বাৰা আমাৰ কামবোৰত প্ৰভাৱ পৰে।

**প্ৰয়োগিক নীতিশাস্ত্ৰ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই বিবাদ আৰু নৈতিক বিচাৰ্য্যবোৰ দেখুৱাবলৈ চেষ্টা কৰে যেনে- জন্তুৰ অধিকাৰ, পাৰিপাৰ্শ্বিক সচেতনতা, চিকিৎসা নীতিশাস্ত্ৰ, প্ৰচাৰ-মাধ্যম নীতিশাস্ত্ৰ, জীৱ নীতিশাস্ত্ৰ ইত্যাদি।

## ১.৫ প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি

প্ৰায়োগিক শব্দটোৰ অৰ্থ হ'ল— ব্যৱহাৰিক দিশলৈ নিয়া। প্ৰায়োগিক নীতিশাস্ত্ৰ নীতিশাস্ত্ৰৰ পৰিসৰৰ অন্তৰ্ভুক্ত। প্ৰায়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এটা শাখা, যাৰ অৰ্থ হ'ল কৰ্মৰ দৰ্শন। এইটো এটা মতবাদ যি মানুহৰ জীৱনৰ নৈতিকভাৱে শুদ্ধ কৰ্মৰ লগত জড়িত। এই নৈতিক নীতিবোৰ ব্যৱহাৰিক জীৱনৰ নৈতিক সমস্যা সমাধানৰ বাবে প্ৰয়োগ কৰিবলৈ চেষ্টা কৰা হয়। গতিকে প্ৰায়োগিক নীতিশাস্ত্ৰই আমাৰ দৈনন্দিন জীৱনত নীতিশাস্ত্ৰৰ তাৎপৰ্য্যৰ নীতি নিৰ্দেশ কৰে।


প্ৰায়োগিক নীতিশাস্ত্ৰই আমাৰ জীৱনত বিভিন্নধৰণে প্ৰভাৱ পেলায়, যেনে— সাংবাদিকতা, আইন, ঔষধ, যন্ত্ৰবিদ্যা, ব্যৱসায় ইত্যাদি। প্ৰায়োগিক নীতিশাস্ত্ৰক বিভিন্ন ধৰণৰ ব্যক্তিগত সমস্যা আৰু ব্যৱহাৰিক জীৱনৰ সমস্যা সমাধানৰ বাবে প্ৰয়োগ কৰা হয়। ই যিবোৰ নৈতিক সমস্যা আমাৰ জীৱনৰ লগত জড়িত সেইবোৰৰ সংজ্ঞা আৰু বৰ্ণনা কৰে। গতিকে, প্ৰায়োগিক নীতিশাস্ত্ৰ প্ৰকৃত বাস্তৱ জগতৰ নৈতিক সমস্যাৰ অধ্যয়নৰ লগত জড়িত।

সমাজ প্ৰতিষ্ঠাপক ব্ৰেণ্ডা আলমণ্ডে প্ৰায়োগিক দৰ্শনৰ কৈছে যে, "প্ৰায়োগিক নীতিশাস্ত্ৰ হ'ল এক দাৰ্শনিক পৰীক্ষা, নৈতিক দিশৰ পৰা ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিশেষ বিশেষ সমস্যাবোৰ হৈছে কিছুমান নৈতিক অৱধাৰণৰ সমষ্টি"।



## জানি থোৱা ভাল

ব্ৰেণ্ডা অলমণ্ড হাল বিশ্ববিদ্যালয়ৰ এগৰাকী নৈতিক আৰু সমাজ দৰ্শনৰ অধ্যাপক আছিল। তেওঁ লণ্ডণ বিশ্ববিদ্যালয়ত এ. জে. আয়াৰ অধীনত দৰ্শন অধ্যয়ন কৰিছিল। তেওঁ ইংলেণ্ডৰ দৰ্শন সম্বন্ধীয় সমাজৰ সভাপতি আৰু প্ৰায়োগিক দৰ্শন সমাজৰ উপসভাপতি আছিল। তেওঁৰ কিছুমান গ্ৰন্থ হ'ল— The Fragmenting Family, Exploring Ethics, Moral Concerns, The Philosophical Quest।



## অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ তলত দিয়া বাক্যবোৰ সচাঁ নে মিছা বিচাৰ কৰক।

ক) নীতি বিজ্ঞান হল মানব আচৰণৰ বিজ্ঞান।

খ) নীতিবিজ্ঞানক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে।

গ) অধিনীতিশাস্ত্ৰই গৰ্ভপাত আৰু ইচ্ছামৃত্যুৰ সমাস্যাটোক সমাধান কৰিবলৈ চেষ্টা কৰিছে।

ঘ) প্ৰায়োগিক নীতিশাস্ত্ৰই প্ৰকৃত বাস্তৱ জগতৰ নৈতিক সমস্যাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

প্ৰশ্ন ২ ঃ আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ আৰু অধিনীতিশাস্ত্ৰ মানে কি?

.......................................................................................

.......................................................................................

প্ৰশ্ন ৩ ঃ প্ৰায়োগিক নীতিবিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে লিখক।

.......................................................................................

.......................................................................................

প্ৰশ্ন ৪ ঃ নীতিবিজ্ঞানৰ তিনিটা পৰিসৰ বিচাৰ কৰক।

.......................................................................................

.......................................................................................

প্ৰশ্ন ৫ ঃ পাৰিপাৰ্শ্বিক প্ৰায়োগিক নীতিবিজ্ঞানৰ লগত জড়িত নৈতিক সমস্যাটোৰ নাম কি?

.......................................................................................

.......................................................................................

| |
|---|
| প্ৰশ্ন ৬ ঃ গ্ৰীক শব্দ 'Ethics' মানে কি? |
| ......................................................................................................... |

## ১.৬ প্ৰায়োগিক নীতিবিজ্ঞান আৰু দৰ্শন

দৰ্শন শব্দটোৰ অৰ্থ হ'ল 'জ্ঞানৰ প্ৰতি অনুৰাগ'। দৰ্শন হ'ল সাধাৰণতে মানুহৰ মনৰ মনোভাৱ আৰু কৰ্ম। দৰ্শনক সকলো জ্ঞানৰ সমষ্টি বুলি বিবেচনা কৰা হয়। দৰ্শন হ'ল জীৱন ধাৰণ আৰু ভাবনাৰ দিশ। দাৰ্শনিক কৰ্মবিলাকক প্ৰজ্ঞা, সদগুণ বা আনন্দৰ অভিমুখে লৈ যোৱা উচিত। দৰ্শনৰ ইতিহাস মানৱ সভ্যতাৰ দৰে বহু পুৰণি। এজন দাৰ্শনিকৰ মূল কাম হ'ল এটা বস্তুৰ প্ৰকৃত প্ৰকৃতি উদ্‌ঘাটন কৰা। গতিকে, দৰ্শনে মানৱ চিন্তাৰ বিভিন্ন ধাৰণাৰ সমালোচনাত্মক আৰু বিশ্লেষণাত্মক দিশ আগবঢ়ায়।

প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ পৰা পৃথক নহয়। কাৰণ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ এটা অংশ। দৰ্শনে জীৱনৰ আদৰ্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কৰ্ম আদৰ্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কৰ্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ সমাধানৰ পথ আহৰণৰ চেষ্টা কৰে। আনহাতে, দৰ্শনে কেৱল নৈতিক সমস্যাৰ বিশ্লেষণ আৰু স্পষ্টীকৰণহে কৰে, কিন্তু এই সমস্যাবোৰৰ সমাধান উলিওৱাত সহায় কৰিব নোৱাৰে।

## ১.৭ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ


দৰাচলতে নীতিশাস্ত্ৰ হ'ল মানুহৰ আচৰণ বা অভ্যাসৰ বিজ্ঞান। এইটো এটা মানুহৰ অভ্যাসগত আচৰণৰ বিজ্ঞান। নীতিশাস্ত্ৰত বেছিকৈ আচৰণ, নৈতিকতা আৰু মানুহৰ চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়ে। নীতিশাস্ত্ৰই স্বাভাৱিক যুক্তিৰ (natural reasons) মাধ্যমেদি মানবীয় আচৰণৰ নৈতিক দিশসমূহ বিচাৰ কৰে। নীতিশাস্ত্ৰই মানুহৰ কৰ্মৰ দাৰ্শনিক দিশৰ আলোচনা কৰে আৰু শুদ্ধ- অশুদ্ধৰ প্ৰশ্ন অৱতৰণা কৰে আৰু মানুহৰ কৰ্মৰ নৈতিক বিচাৰ কৰে।

গতিকে, নীতিশাস্ত্ৰই আমাৰ জীৱনৰ তাত্বিক দিশৰ নিৰ্দেশ দিয়ে। কিন্তু প্ৰায়োগিক নীতিশাস্ত্ৰই প্ৰকৃত সত্যৰ অৱস্থাত কেনেকৈ নীতিবোৰ প্ৰয়োগ কৰিব পাৰি তাৰ ব্যৱহাৰিক নিৰ্দেশ দিয়ে। গতিকে প্ৰায়োগিক নীতিশাস্ত্ৰ হ'ল নীতিশাস্ত্ৰৰ পৰিসৰৰ এক বিশ্লেষণাত্মক, স্পষ্টীকৰণৰ দিশ আৰু ই নৈতিক সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰে।

## ১.৮ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন

প্ৰায়োগিক শব্দটো হ'ল এটা কাৰিকৰী পদ যিয়ে বিভিন্ন ধৰণৰ নতুন দৰ্শন সম্বন্ধীয় বিষয়ৰ আলোচনা কৰে। 'প্ৰায়োগিক' শব্দৰ অৰ্থ হ'ল-ব্যৱহাৰিক দিশলৈ নিয়া। প্ৰায়োগিক নীতিশাস্ত্ৰ বেছিকৈ নৈতিক আলোচনাৰ লগত জড়িত। কিন্তু প্ৰায়োগিক দৰ্শনত অধিবিদ্যামূলক, জ্ঞান মীমাংসামূলক আৰু নৈতিকমূলক আলোচনা কৰা হয়। প্ৰায়োগিক দৰ্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দাৰ্শনিক প্ৰয়োগৰ লগত জড়িত। প্ৰায়োগিক দৰ্শনে পৰাবিদ্যাৰ বিচাৰ্যৰ নিচিনা প্ৰকৃতিৰ মুখ্য ঠাই, মানুহৰ প্ৰকৃতি, বিজ্ঞানৰ সামাজিক তাৎপৰ্য্য আৰু প্ৰযুক্তিবিজ্ঞানৰ পৰিৱৰ্তন বিষয়ে আলোচনা কৰে।

প্ৰায়োগিক নীতিশাস্ত্ৰ নৈতিক বিবাদৰ সমাধানৰ লগত জড়িত। প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন এই দুয়োটা কেতিয়াবা একোটা অৰ্থত ব্যৱহাৰ কৰা হয়। কিন্তু প্ৰায়োগিক দৰ্শনৰ পৰিসৰ প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰতকৈ বহল। কাৰণ প্ৰায়োগিক দৰ্শনে অধিবিদ্যা, জ্ঞানবিদ্যা সম্পৰ্কীয় আলোচনা আৰু নৈতিক ভাব আদি সামৰি লয়। কিন্তু প্ৰায়োগিক নীতিশাস্ত্ৰই অকল আমাৰ জীৱনৰ নৈতিক ভাবৰ বিষয়ে আলোচনা কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন ৭ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত কিছুমান নৈতিক সমস্যা উল্লেখ কৰক।

............................................................................................

............................................................................................

প্ৰশ্ন ৮ ঃ নীতিশাস্ত্ৰক দৰ্শনৰ পৰা পৃথক কৰিব পাৰিনে?

............................................................................................

............................................................................................

## ১.৯ প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ

প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন ধৰণৰ দিশ আছে। তাৰ কিছুমান উল্লেখ কৰা হ'ল—

- জন্তুৰ নীতিশাস্ত্ৰ
- জীৱ নীতিশাস্ত্ৰ
- ব্যৱসায় নীতিশাস্ত্ৰ
- কম্পিউটাৰ নীতিশাস্ত্ৰ

- শৈক্ষিক নীতিশাস্ত্ৰ
- পৰিবেশ নীতিশাস্ত্ৰ
- মানব অধিকাৰ সমস্যা
- আন্তৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ
- বিধি সম্বন্ধীয় নীতিশাস্ত্ৰ
- বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ
- প্ৰচাৰ-মাধ্যম নীতিশাস্ত্ৰ
- চিকিৎসা নীতিশাস্ত্ৰ
- সামৰিক নীতিশাস্ত্ৰ
- স্নায়ু নীতিশাস্ত্ৰ
- লোক প্ৰশাসনীয়
- গৱেষণাৰ নীতিশাস্ত্ৰ
- যৌন নীতিশাস্ত্ৰ
- সামাজিক কৰ্মত নীতিশাস্ত্ৰ
- খেলৰ নীতিশাস্ত্ৰ

### ➢ জন্তুৰ নীতিশাস্ত্ৰ

জন্তুৰ নীতিশাস্ত্ৰৰ মুখ্য ধাৰণা হ'ল যে— অ-মানবীয় জন্তুবোৰকো মানবীয় দিশেৰে বিবেচনা কৰা উচিত। মৰাশ ফালি দেখুওৱাৰ কাৰণে পৰীক্ষাগাৰত জন্তুৰ ব্যৱহাৰ কৰা হয়। এইটো প্ৰতিজন মানুহৰ জীৱৰ প্ৰতি কৰ্তব্য থকা উচিত যাতি জন্তু বোৰকো দয়াৰ মনোভাবেৰে চোৱা হয়।

### ➢ জীৱ নীতিশাস্ত্ৰ

দৰাচলতে জীৱ নীতিশাস্ত্ৰ মানে হ'ল জীৱনৰ নীতিশাস্ত্ৰ। এইটো অধ্যয়নৰ এটা বহল দিশ আৰু বহল শাখা। জীৱ নীতিশাস্ত্ৰ হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নব্য বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়। ভাল আৰু শুদ্ধ কি আৰু শান্তিৰ জীৱন কি তাক জীৱ নীতিশাস্ত্ৰই জনাত আমাক সহায় কৰে। এইটোৱে জীৱন মৰমীয়াল আৰু মানুহে শান্তিত জীৱন ধাৰণ কৰিবলৈ পৰিবেশৰ লগত ঐকতা গঢ়াত সহায় কৰে। এই গোটেই সমষ্টিয়ে হ'ল জীৱ নীতিশাস্ত্ৰ। জীৱ নীতিশাস্ত্ৰ শিক্ষাই মানুহৰ জীৱনৰ গুণৰ উন্নতি কৰিবলৈ জোৰ দিয়ে। জীৱ নীতিশাস্ত্ৰৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয় আছে, যেনে— গৰ্ভপাত, ইচ্ছামৃত্যু, জীৱপ্ৰযুক্তিবিদ্যা, জন্ম নিয়ন্ত্ৰন বিদ্যা, অক্ষম অধিকাৰ, জন্ম বিষয়ক গৱেষণা আৰু মানসিক স্বাস্থ্য ইত্যাদি।

➢ **ব্যৱসায় নীতিশাস্ত্ৰ**

ব্যৱসায়ত ব্যৱহৃত হৈ থকা নৈতিক বিতৰ্কৰ লগত জড়িত সামাজিক আৰু মানসিক দায়িত্ব পৰীক্ষা ব্যৱসায় নীতিশাস্ত্ৰই কৰে। ব্যৱহাৰিক বেপাৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা আৰু সংকট ব্যৱসায় নীতিশাস্ত্ৰই বিশ্লেষণ কৰে। ব্যৱসায় নীতিশাস্ত্ৰই নীতিৰ প্ৰশ্নৰ ওপৰত বেছিকৈ মনোযোগ দিয়ে। ব্যৱসায়ৰ ক্ষেত্ৰত দেখা দিয়া সকলো সমস্যা নৈতিকভাৱে আলোচনা কৰিব লাগে।

➢ **কম্পিউটাৰ নীতিশাস্ত্ৰ**

কম্পিউটাৰৰ দিশটো বৰ বহল। এই দিশটোত বহুতো সমস্যাৰ সন্মুখীন হোৱা দেখা যায় যিবোৰ নৈতিকভাৱে আলোচনা কৰা উচিত। প্ৰায়োগিক নীতিশাস্ত্ৰৰ দিশ হিচাপে কম্পিউটাৰ নীতিশাস্ত্ৰই আমাক বৃত্তিগত আৰু সামাজিক কামবোৰৰ এটা সঠিক সিদ্ধান্তলৈ অহাত সহায় কৰে।

➢ **শৈক্ষিক নীতিশাস্ত্ৰ**

ব্যক্তিৰ মন আৰু আত্মাৰ সৰ্বাংগীন বিকাশৰ দ্বাৰা সৎ ভাৱে জীৱন-যাপন কৰোৱা শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। শিক্ষাৰ দিশৰ পৰা শৈক্ষিক নীতিশাস্ত্ৰই নৈতিক সংকট চিনাক্ত কৰে আৰু বৈকল্পিক সমাধান উলিয়ায়।

➢ **পৰিৱেশ নীতিশাস্ত্ৰ**

মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পৰ্ক পৰিবেশ নীতিশাস্ত্ৰই অধ্যায়ন কৰে। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষন। পৰিবেশ নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এটা নতুন বিষয় আৰু এইটো ১৯৭০ চনত প্ৰকাশ লাভ কৰে। ব্যৱহাৰিক আৰু মানুহৰ নৈতিক সচেতনতা ৰক্ষা কৰাই হ'ল প্ৰাকৃতিক পৰিবেশৰ সংৰক্ষণ। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল ইয়াৰ মতবাদৰ সহায় উপস্থাপন কৰা। প্ৰকৃতিয়ে আমাক বতৰ, পানী, খাদ্য, বায়ু, ঠাই ইত্যাদিৰ যোগান ধৰিছে। আজিৰ যুগত আমি বহুতো পৰিবেশীয় সমস্যাৰ সন্মুখীন হওঁ যেনে— গোলকীয় উষ্ণতা, বননি ধ্বংসকৰণ, জৈৱবৈচিত্ৰতাৰ ধ্বংস ইত্যাদি। গতিকে এইটো, পৰিবেশ সংৰক্ষন কৰাটো আমাৰ কৰ্তব্য। এইটোৱে হ'ল পৰিবেশ নীতিশাস্ত্ৰৰ মূল লক্ষ্য।

➢ **আতিথ্য নীতিশাস্ত্ৰ**

অতিথি সৎকাৰ হ'ল আলহী আৰু অতিথিৰ মাজত থকা সম্পৰ্ক। অতিথি সৎকাৰ নীতিশাস্ত্ৰ হ'ল এটা শাসন (discipline) যিয়ে প্ৰকৃত জীৱনৰ অৱস্থাত কেনেকৈ অতিথি

সৎকাৰৰ ব্যৱহাৰ আৰু প্ৰয়োগ কৰিব পাৰি তাৰ অধ্যয়ন কৰে। ইয়াৰ অৰ্থ হ'ল কেনেকৈ অতিথি আৰু আলহীৰ মাজত থকা উদাৰ আৰু বন্ধুৰ সম্পৰ্ক ৰক্ষা কৰা উচিত।

## ➢ মানৱ অধিকাৰ সমস্যা

মানব অধিকাৰ হ'ল সকলো মানুহৰ মৌলিক অধিকাৰ আৰু স্বাধীনতা। মানব অধিকাৰ শিক্ষাই মানুহক সকাৰাত্মক ব্যক্তিত্বৰ বিকাশেৰে মানব ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশত সহায় কৰে। মানব অধিকাৰ সমস্যাৰ লগত জড়িত হৈ থাকে- লিংগ নীতিশাস্ত্ৰ, যৌনবাদ , শ্ৰেণীবাদ, জাতিবাদ, মৃত্যুদণ্ড আদি। প্ৰায়োগিক নীতিশাস্ত্ৰই আমাক এই বিষয়বোৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা সমাধান কৰাত সহায় কৰে।

## ➢ আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ

আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ ৰাষ্ট্ৰ আৰু বৰ্তমান যুগৰ গোলকীকৰণৰ নৈতিক কৰ্তব্যৰ লগত জড়িত। আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰই এইবোৰৰ মাজত হোৱা বিৰোধবোৰৰ বিধান নিৰ্ণয় কৰে আৰু কেনেকৈ নৈতিক ফলাফল আনিব পাৰি তাক দেখুৱায়।

## ➢ বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰ

বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়ে যিয়ে ব্যৱহাৰিক আইন আৰু বিধি সম্পৰ্কীয় ক্ষেত্ৰত মানুহৰ আচৰণ কেনেকৈ জড়িত হৈ থাকে তাৰ আদেশ দিয়ে। বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই ব্যৱহাৰিক আইনৰ শুদ্ধ কি আৰু ভুল কি, ভাল আৰু বেয়া কি সেই তাৎপৰ্য্যৰ বিষয়ে অধ্যয়ন কৰে। বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই কিছুমান বিধি প্ৰদান কৰে যাৰ দ্বাৰা উকীল আৰু জনসাধাৰণ সুৰক্ষিত হয়।

## ➢ বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ

বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা শাখা যিটোৱে বজাৰীকৰণৰ ব্যৱহাৰ আৰু বিধিবোৰৰ আঁৰত থকা নৈতিক নীতিবোৰ যোগান ধৰে।

## ➢ প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰ

প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰই অনাতাঁৰ মাধ্যম দিশৰ মুখ্য নৈতিক নীতিবোৰ বিশ্লেষণ আৰু পৰীক্ষা কৰে, (যোগাযোগ, বিশেষকৈ দূৰদৰ্শন, ৰেডিঅ' আৰু বাতৰিকাকত) চিনেমা, মঞ্চ, সাংবাদিকতা ইত্যাদি। প্ৰচাৰ মাধ্যমৰ মানুহ আৰু সাংবাদিকসকলে বিভিন্ন ধৰণৰ দাবীৰ সন্মুখীন হ'ব লগা হয় আৰু প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰ আৰু সাংবাদিকতাই নৈতিক নীতিবোৰ আৰু ভাল ব্যৱহাৰবোৰ অন্তৰ্ভুক্ত কৰে যিটোৱে প্ৰচাৰ মাধ্যম মানুহক আৰু সাংবাদিকলে সন্মুখীন হোৱা বিভিন্ন ধৰণৰ সমস্যা সমাধান কৰিবলৈ সহায় কৰে।

## ➢ চিকিৎসা নীতিশাস্ত্ৰ

চিকিৎসা নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। এইটো মুখ্যতঃ আৰু চিকিৎসা বৃত্তিৰ লগত জড়িত নৈতিক সমস্যাবোৰৰ সাধাৰণ নীতিবোৰৰ তাৎপৰ্য্যৰ লগত জড়িত। চিকিৎসা নীতিশাস্ত্ৰই ঔষধৰ দিশৰ ক্ষেত্ৰত কেনেকৈ নৈতিক সিদ্ধান্তবোৰৰ পথ নিৰ্ধাৰণ কৰে তাৰ বিশ্লেষণ কৰে। চিকিৎসা বৃত্তিত মানৱ জীৱনৰ লগত জড়িত বিভিন্ন সমস্যাৰ মানৱীয় জ্ঞানৰ সন্ধান দিয়ে। চিকিৎসা বিষয়ক নৈতিক সমস্যাবোৰৰ সমাধানত চিকিৎসা নীতিশাস্ত্ৰই সহায় কৰে।

## ➢ সামৰিক নীতিশাস্ত্ৰ

সামৰিক বাহিনীৰ সদস্যসমূহৰ এক নিয়মানুবৰ্তিতাপূৰ্ণ জীৱন হোৱা উচিত। সামৰিক বাহিনীৰ পৌৰাণিক নিয়মত প্ৰতিষ্ঠিত হোৱা ৰীতি-নীতিত সদস্যসকলে কাম কৰিব লাগে। সামৰিক নীতিশাস্ত্ৰত কিছুমান নীতি আৰু দৰ্শন অন্তৰ্ভুক্ত হৈ থাকে যিবোৰে সামৰিক বাহিনীৰ সদস্যসকলক নৈতিক ভাবে নিয়মানুবৰ্তিতাপূৰ্ণ জীৱন-নিৰ্বাহ কৰাত সহায় কৰে।

## ➢ স্নায়ু নীতিশাস্ত্ৰ

স্নায়ু নীতিশাস্ত্ৰ হ'ল এটা ঔষধৰ শাখা আৰু জীৱবিজ্ঞান পদ্ধতিৰ লগত জড়িত। স্নায়ু নীতিশাস্ত্ৰ হ'ল স্নায়ু বিজ্ঞানৰ নীতিশাস্ত্ৰ। স্নায়ু বিজ্ঞানৰ দিশত বহুতো বিকাশ হোৱা দেখা গৈছে। স্নায়ু নীতিশাস্ত্ৰ স্নায়ু বিজ্ঞানৰ উন্নতিৰ সম্পৰ্কিত নৈতিক বিচাৰ লগত জড়িত আৰু ই সমস্যা সমাধানৰ গ্ৰহণযোগ্য চেষ্টা আগবঢ়ায়।

## ➢ লোক প্ৰশাসন

লোক প্ৰশাসনত প্ৰশাসক আৰু লোকৰ মাজত আন্তৰিক সম্পৰ্ক ৰক্ষা কৰা উচিত। সদায় কৰ্তব্যৰ সময়ত লোক প্ৰশাসকে কৰ্মচাৰীৰ লগত নৈতিক আচৰণ প্ৰতিষ্ঠা কৰিব লাগে আৰু ৰক্ষা কৰিব লাগে। লোক প্ৰশাসনীয় নীতিশাস্ত্ৰই নৈতিক নীতিৰ ওপৰত নিৰ্ভৰ কৰি সিদ্ধান্তবোৰ দিবলৈ চেষ্টা কৰে যিবোৰ সাধাৰণ লোকে গ্ৰহণযোগ্য বুলি মানি লয়।

## ➢ গৱেষণাৰ নীতিশাস্ত্ৰ


গৱেষণাত এটা ঘটনা প্ৰতিষ্ঠা আৰু নতুন সিদ্ধান্ত পাবলৈ এটা শৃংখলাবদ্ধ অনুসন্ধান তৈয়াৰ কৰা উচিত। গতিকে, গৱেষণাৰ দ্বাৰা মানুহৰ অধিকাৰ আৰু ইয়াৰ উপৰিও তেওঁলোকৰ গোপনীয়তা ৰক্ষা কৰা উচিত। গৱেষণা নীতিশাস্ত্ৰ গৱেষণাৰ লগত সম্পৰ্কীত নৈতিক নীতিৰ লগত জড়িত। এইটোৱে গৱেষণাকাৰীৰ ৰক্ষণাবেক্ষণৰ কাৰণে বিধি নিয়ম আগবঢ়ায়।

## ➢ যৌন নীতিশাস্ত্ৰ

যৌন নীতিশাস্ত্ৰই এক বিবাহ আৰু বহুবিবাহ, প্ৰেমহীন যৌন সম্পৰ্ক, একেলিংগৰ যৌন সম্পৰ্ক আৰু বিবাহৰ পিছৰ প্ৰেমৰ সম্পৰ্ক আদি আলোচনা কৰে। যেতিয়া কিছুমান সংঘাতপূৰ্ণ অৱস্থাৰ উদ্ভৱ হয় তেতিয়া যৌন নীতিশাস্ত্ৰই এই সমস্যাবোৰ সমাধান কৰিবলৈ বিধি প্ৰয়োগ কৰে।

## ➢ খেলৰ নীতিশাস্ত্ৰ

খেলৰ দিশৰ ক্ষেত্ৰত যি নৈতিক বিচাৰ আৰু সমস্যাৰ উদ্ভৱ হয় সেয়াই হ'ল খেলৰ নীতিশাস্ত্ৰ। এটা ভাল জীৱন গঢ়িবলৈ আৰু বিখ্যাত খেলৰ মানুহ হ'বলৈ খেলত নীতিশাস্ত্ৰৰ জ্ঞান আৱশ্যক। খেলৰ শিক্ষাই কিছুমান নৈতিক মূল্য প্ৰদান কৰে, যেনে— মানৱীয়তা, সম্বন্ধ, সহযোগিতা, একতা আদি। খেলৰ নীতিশাস্ত্ৰই খেলুৱৈ ব্যক্তিক সমস্যা সমাধানৰ বাবে নৈতিক নীতি প্ৰদান কৰে।



### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ তিনিটা দিশ আঙুলিয়াই দিয়ক।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

প্ৰশ্ন ১০ঃ জীৱ নীতিশাস্ত্ৰ বুলিলে কি বুজায়?

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

প্ৰশ্ন ১১ঃ জীৱ নীতিশাস্ত্ৰৰ তিনিটা গুৰুত্বপূৰ্ণ সমস্যা উল্লেখ কৰক।

.................................................................................................

.................................................................................................

প্ৰশ্ন ১২ঃ পৰিবেশীয় নৈতিকতা কাক বোলে?

.................................................................................................

.................................................................................................

প্ৰশ্ন ১৩ঃ পৰিবেশ সম্পৰ্কীয় সমস্যাৰ কিছুমান উদাহৰণ দিয়ক।

..........................................................................................

..........................................................................................

প্ৰশ্ন ১৪ঃ তলৰ বাক্যবোৰৰ শুদ্ধ বা অশুদ্ধ লিখক।

ক) দৰ্শনে মানৱ চিন্তাৰ বিভিন্ন ধাৰণাৰ সমালোচনাত্মক আৰু বিশ্লেষণাত্মক দিশ আগবঢ়ায়।

খ) প্ৰায়োগিক দৰ্শনৰ পৰিসৰ প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰতকৈ বহল নহয়।

গ) প্ৰায়োগিক নীতিশাস্ত্ৰই আমাৰ দৈনন্দিন জীৱনত নীতিশাস্ত্ৰৰ তাৎপৰ্য্যৰ নীতি নিৰ্দেশ কৰে।

প্ৰশ্ন ১৫ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শনৰ মাজৰ মূল পাৰ্থক্যটো কি?

..........................................................................................

..........................................................................................

প্ৰশ্ন ১৬ঃ 'প্ৰায়োগিক' শব্দটোৰ অৰ্থ কি?

..........................................................................................

..........................................................................................

প্ৰশ্ন ১৭ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ পাঁচটা বিষয়ক্ষেত্ৰৰ নাম উল্লেখ কৰক।

..........................................................................................

..........................................................................................

..........................................................................................

## ১.১০ প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা মতবাদ

উপযোগিতাবাদ, কৰ্তব্যমূলক নীতিশাস্ত্ৰ আৰু সদগুণ নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা মতবাদ।

### ➢ উপযোগিতাবাদ

যি নৈতিক মতবাদ অনুসৰি সৰ্বাধিক কল্যাণ সাধনেই মানৱ জীৱনৰ পৰম আদৰ্শ, তাকে উপযোগিতাবাদ বোলে। উপযোগিতাবাদৰ মতে, যি কৰ্মই সৰ্বসাধাৰণৰ কল্যাণ কৰে সি ভাল কাম আৰু যি কৰ্মই সৰ্বসাধাৰণৰ কল্যাণ নকৰে সি বেয়া কাম।

### ➢ কৰ্তব্যমূলক নীতিশাস্ত্ৰ


ই নিয়মৰ ওপৰত নিৰ্ভৰশীল। এইটো এটা শুদ্ধভাবে কাম কৰাৰ নৈতিক বাধ্যতাবোধ। ই প্ৰকৃততে ফলৰ ওপৰত গুৰুত্ব প্ৰদান নকৰে। কৰ্তব্যমূলক নীতিশাস্ত্ৰক কেতিয়াবা কৰ্তব্য নীতিশাস্ত্ৰ বুলিও জনা যায়।

### ➢ সদগুণ নীতিশাস্ত্ৰ

সদগুণ নীতিশাস্ত্ৰ হ'ল পাশ্চত্য দৰ্শনৰ এক পুৰণি আদৰ্শনিষ্ঠ ধাৰণা। এইটো এৰিষ্ট'টলৰ নীতিশাস্ত্ৰৰ পৰা উদ্ভৱ হৈছে। সদগুণ নীতিশাস্ত্ৰই ব্যক্তিৰ নৈতিক আচৰণৰ ওপৰত গুৰুত্ব দিছে আৰু নৈতিক দৰ্শনৰ সদগুণৰ ওপৰত গুৰুত্ব দিছে। এই মতবাদ অনুসৰি আমি কিছুমান গুণৰ অধিকাৰী হোৱা উচিত। আমাৰ সদগুণসমূহ কৰ্মৰ মাজেদি প্ৰকাশিত হোৱা উচিত।

## ১.১১ প্ৰায়োগিক নীতিশাস্ত্ৰৰ আলোচনাৰ কিছুমান গুৰুত্বপূৰ্ণ নীতি

- ব্যক্তিগত উপকাৰ— ব্যক্তিগত উপকাৰ কৰ্মই কেৱল ব্যক্তিৰ উপকাৰ সাধন কৰে।
- সামাজিক উপকাৰ— সামাজিক উপকাৰ কৰ্মই সামূহিকভাৱে সমাজৰ উপকাৰ সাধন কৰে।
- সৎগুণৰ নীতি— এই নীতিয়ে প্ৰয়োজনত লগা সকলোকে সহায় কৰে।
- পিতৃপ্ৰধান নীতি— আগ্ৰহকাৰীৰ আগ্ৰহ পূৰ্ণ কৰাত পথ প্ৰদৰ্শক হিচাপে এই নীতিয়ে সহায় কৰে।
- ক্ষতিৰ নীতি— আনক ক্ষতি নকৰা।
- সততাৰ নীতি— আনক প্ৰৱঞ্চনা নকৰা।
- আইনৰ নীতি— আইন ভংগ নকৰা।
- স্বায়ত্বৰ নীতি— অধিকাৰৰ সম বিতৰণৰ ক্ষেত্ৰত এই নীতিয়ে ব্যক্তিৰ অধিকাৰক অগ্ৰাধিকাৰ দিয়ে।
- অধিকাৰ— ই ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ আদিৰ লগত জড়িত।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন ১৮ঃসত্য অসত্য বিচাৰ কৰক।

ক) উপযোগিতাবাদ মূলতঃ নীতিৰ ওপৰত নিৰ্ভৰশীল।

খ) সদগুণৰ নীতিশাস্ত্ৰ এক প্ৰকাৰৰ আদৰ্শনীষ্ঠ নীতিশাস্ত্ৰ।

গ) সাধুতা হ'ল প্ৰয়োগিক নীতিশাস্ত্ৰৰ এক গুৰুত্বপূৰ্ণ নীতি।

ঘ) প্ৰয়োগিক নীতিশাস্ত্ৰই সামাজিক লাভালাভৰ ওপৰত গুৰুত্ব আৰোপ নকৰে।

প্ৰশ্ন ১৯ঃ প্ৰয়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা মতবাদৰ নাম উল্লেখ কৰক।

..........................................................................................

..............................................................................................

..............................................................................................

প্ৰশ্ন ২০ঃ প্ৰয়োগিক নীতিশাস্ত্ৰৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা পাঁচটা গুৰুত্বপূৰ্ণ নীতিৰ বিষয়ে লিখক।

..............................................................................................

..............................................................................................

..............................................................................................

প্ৰশ্ন ২১ঃ কৰ্তব্য নীতিশাস্ত্ৰ বুলিলে কি বুজে?

..............................................................................................

..............................................................................................




## ১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিবিজ্ঞান হ'ল দৰ্শনৰ এটা মূখ্য শাখা আৰু ই মানুহৰ আচৰণ সম্পৰ্কীয় বিজ্ঞান।
- অধি-নীতিশাস্ত্ৰ হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্ৰৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে। অধিনীতিশাস্ত্ৰই নীতিশাস্ত্ৰৰ উৎস সম্পৰ্কে অনুসন্ধান কৰে য'ৰ পৰা নীতিশাস্ত্ৰৰ নীতি আহে আৰু সেইটোৱে কি বুজায়। অধি-নীতিশাস্ত্ৰ এক প্ৰকাৰৰ দৰ্শন সম্বন্ধীয় অনুসন্ধানকাৰী মতবাদ, যাক বিশ্লেষণাত্মক নীতিশাস্ত্ৰ বুলিও কোৱা হয়।
- নৈতিক মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে নৈতিক মানদণ্ডেৰে কোনো এটা কামৰ শুদ্ধ আৰু অশুদ্ধ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰে।
- প্ৰয়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে।
- প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ পৰা পৃথক নহয়। কাৰণ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ এটা অংশ। দৰ্শনে জীৱনৰ আদৰ্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কৰ্ম, আদৰ্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কৰ্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ

সমাধানৰ পথ আহৰণৰ চেষ্টা কৰে।

- প্ৰায়োগিক দৰ্শনত অধিবিদ্যামূলক, জ্ঞানমীমাংসামূলক আৰু নৈতিকতা বিষয়ক আলোচনা কৰা হয়। প্ৰায়োগিক দৰ্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দাৰ্শনিক প্ৰয়োগৰ লগত জড়িত।
- জীৱ নীতিশাস্ত্ৰ হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নতুন বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়।
- ব্যৱসায়ত ব্যৱহৃত হৈ থকা নৈতিক বিতৰ্কৰ লগত জড়িত সামাজিক আৰু মানসিক দায়িত্ব পৰীক্ষা ব্যৱসায় নীতিশাস্ত্ৰই কৰে। ব্যৱহাৰিক বেপাৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা আৰু সংকট ব্যৱসায় নীতিশাস্ত্ৰই বিশ্লেষণ কৰে।
- মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পৰ্ক পৰিবেশ নীতিশাস্ত্ৰই অধ্যায়ন কৰে। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষন।
- চিকিৎসা নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। এইটো মুখ্যতে চিকিৎসা বৃত্তিৰ লগত জড়িত নৈতিক সমস্যাবোৰৰ সাধাৰণ নীতিবোৰৰ তাৎপৰ্য্যৰ লগত জড়িত।
- স্নায়ু নীতিশাস্ত্ৰ হ'ল এটা ঔষধৰ শাখা আৰু জীৱবিজ্ঞান পদ্ধতিৰ লগত জড়িত। স্নায়ু নীতিশাস্ত্ৰ হ'ল স্নায়ু বিজ্ঞানৰ নীতিশাস্ত্ৰ।
- খেলৰ দিশৰ ক্ষেত্ৰত যি নৈতিক বিচাৰ আৰু সমস্যাৰ উদ্ভৱ হয় সেয়াই হ'ল খেলৰ নীতিশাস্ত্ৰ। এটা ভাল জীৱন গঢ়িবলৈ আৰু বিখ্যাত খেলৰ মানুহ হ'বলৈ খেলত নীতিশাস্ত্ৰৰ জ্ঞান আৱশ্যক।
- সদগুণৰ নীতিশাস্ত্ৰ এৰিষ্ট'টলৰ নীতিশাস্ত্ৰৰ পৰা লোৱা হৈছে। ই নৈতিক দৰ্শনত সদগুণ আৰু চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়ে।



## ১.১৩ অধিক জানিবলৈ


1. Rachels, J (ed) Moral Problems.
2. Edited by Singer, Peter- Applied Philosophy
3. Edited by Singer, Peter- Applied Ethics
4. Singer, Peter- Practical Ethics
5. John, H. Piet and Ayodhya Prasad- An Introduction to Applied Ethics

## ১.১৪ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ** ঃ ক) সত্য খ) অসত্য গ) অসত্য ঘ) সত্য

**২ নং প্ৰশ্নৰ উত্তৰ** ঃ নৈতিক মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে আৰু অধি-নীতিশাস্ত্ৰ হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্ৰৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে

**৩ নং প্ৰশ্নৰ উত্তৰ** ঃ প্ৰয়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই বিবাদ আৰু নৈতিক বিচাৰ্য্যবোৰ দেখুৱাবলৈ চেষ্টা কৰে যেনে— জন্তুৰ অধিকাৰ, পাৰিপাৰ্শ্বিক সচেতনতা, চিকিৎসা নীতিশাস্ত্ৰ, প্ৰচাৰ-মাধ্যম নীতিশাস্ত্ৰ, জীৱ নীতিশাস্ত্ৰ ইত্যাদি।

**৪ নং প্ৰশ্নৰ উত্তৰ** ঃ আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ, অধি-নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক নীতিশাস্ত্ৰ।

**৫ নং প্ৰশ্নৰ উত্তৰ** ঃ জন্তুৰ অধিকাৰ, চিকিৎসা নীতিশাস্ত্ৰ, প্ৰচাৰ-মাধ্যম নীতিশাস্ত্ৰ।

**৬ নং প্ৰশ্নৰ উত্তৰ** ঃ গ্ৰীক শব্দ 'Ethics'

**৭ নং প্ৰশ্নৰ উত্তৰ** ঃ জন্তু নীতিশাস্ত্ৰ, জীৱ নীতিশাস্ত্ৰ, ব্যৱসায় নীতিশাস্ত্ৰ।

**৮ নং প্ৰশ্নৰ উত্তৰ** ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ পৰা পৃথক নহয়। কাৰণ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ এটা অংশ। দৰ্শনে জীৱনৰ আদৰ্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কৰ্ম আদৰ্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কৰ্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ সমাধানৰ পথ আহৰণৰ চেষ্টা কৰে।

**৯ নং প্ৰশ্নৰ উত্তৰ** ঃ জন্তুৰ নীতিশাস্ত্ৰ, জীৱ নীতিশাস্ত্ৰ, ব্যৱসায় নীতিশাস্ত্ৰ

**১০ নং প্ৰশ্নৰ উত্তৰ** ঃ জীৱ নীতিশাস্ত্ৰ হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নতুন বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়।

**১১ নং প্ৰশ্নৰ উত্তৰ** ঃ গৰ্ভপাত, ইচ্ছামৃত্যু, জন্ম নিয়ন্ত্ৰণ বিদ্যা।

**১২ নং প্ৰশ্নৰ উত্তৰ** ঃ মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পৰ্ক পৰিবেশ নীতিশাস্ত্ৰই অধ্যয়ন কৰে। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষণ। ব্যৱহাৰিক আৰু মানুহৰ নৈতিক সচেতনতা ৰক্ষা কৰাই হ'ল প্ৰাকৃতিক পৰিবেশৰ সংৰক্ষণ।

**১৩ নং প্ৰশ্নৰ উত্তৰ** ঃ গোলকীয় উষ্ণতা, বননি ধ্বংসকৰণ, জৈৱ বৈচিত্ৰ্যৰ ধ্বংস

**১৪ নং প্ৰশ্নৰ উত্তৰ** ঃ ক) সত্য খ) অসত্য গ) সত্য

**১৫ নং প্ৰশ্নৰ উত্তৰ** ঃ প্ৰায়োগিক দৰ্শনত অধিবিদ্যামূলক, জ্ঞানমীমাংসামূলক আৰু নৈতিকতা বিষয়ক আলোচনা কৰা হয়। প্ৰায়োগিক দৰ্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দাৰ্শনিক প্ৰয়োগৰ লগত জড়িত।

**১৬ নং প্ৰশ্নৰ উত্তৰ** ঃ 'প্ৰায়োগিক' শব্দৰ অৰ্থ হ'ল-ব্যৱহাৰিক দিশলৈ নিয়া।

**১৭ নং প্ৰশ্নৰ উত্তৰ** ঃ জন্তুৰ নীতিশাস্ত্ৰ, জীৱ নীতিশাস্ত্ৰ, ব্যৱসায় নীতিশাস্ত্ৰ, কম্পিউটাৰ নীতিশাস্ত্ৰ, শৈক্ষিক নীতিশাস্ত্ৰ।

**১৮ নং প্ৰশ্নৰ উত্তৰ** ঃ ক) অসত্য খ) সত্য গ) সত্য ঘ) অসত্য

**১৯ নং প্ৰশ্নৰ উত্তৰ** ঃ উপযোগিতাবাদ, কৰ্তব্যমূলক নীতিশাস্ত্ৰ আৰু সদগুণ নীতিশাস্ত্ৰ।

**২০ নং প্ৰশ্নৰ উত্তৰ** ঃ ব্যক্তিগত উপকাৰ, সামাজিক উপকাৰ, সৎগুণৰ নীতি, ক্ষতিৰ নীতি, স্বায়ত্বৰ নীতি৷

**২১ নং প্ৰশ্নৰ উত্তৰ** ঃ ই নীতিৰ ওপৰত আধাৰিত, ই সৎ কৰ্ম কৰাৰ ক্ষেত্ৰত বাধ্যবাধকতা আনি দিয়ে য'ত প্ৰকৃত ফলাফল আশা কৰা নহয়।



## ১.১৫ আহিঁ প্ৰশ্ন

### ক) বস্তুধৰ্মী প্ৰশ্ন

**প্ৰশ্ন ১** ঃ পৰিবেশীয় নৈতিকতা কাক বোলে?

**প্ৰশ্ন ২** ঃ পৰিবেশৰ বুৎপত্তিগত অৰ্থটো কি?

**প্ৰশ্ন ৩** ঃ Population Bombৰ লিখক কোন?

**প্ৰশ্ন ৪** ঃ নীতিশাস্ত্ৰৰ অংশ তিনিটা কি কি?

**প্ৰশ্ন ৫** ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ বুলিলে কি বুজে?

**প্ৰশ্ন ৬** ঃ খেল নীতিশাস্ত্ৰ বুলিলে কি বুজে?

**প্ৰশ্ন ৭** ঃ চিকিৎসা নীতিশাস্ত্ৰ বুলিলে কি বুজে?

### খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১** ঃ পাৰ্থক্য লিখক—

ক) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শন

খ) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ

গ) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন

**প্ৰশ্ন ২ ঃ** আপুনি প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শনৰ মাজত কিবা সমন্ধ দেখা পায়নে? চমুকৈ লিখক।

**প্ৰশ্ন ৩ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ মাজত থকা সমন্ধৰ বিষয়ে চমুকৈ লিখক।

**প্ৰশ্ন ৪ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰ বুলিলে আপুনি কি বুজে? প্ৰায়োগিক দৰ্শনৰ আধাৰত চমুকৈ বৰ্ণনা কৰক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** নীতিশাস্ত্ৰৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত পাঁচটা গুৰুত্বপূৰ্ণ নীতি সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** পৰিবেশীয় নৈতিকতা, জীৱ নীতিশাস্ত্ৰ, চিকিৎসা নীতিশাস্ত্ৰ, জন্তু নীতিশাস্ত্ৰ আৰু গৱেষণা নীতিশাস্ত্ৰ সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন বিষয়ক্ষেত্ৰবোৰ কি কি? আলোচনা কৰক।

**প্ৰশ্ন ৫ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৬ ঃ** প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত মতবাদসমূহৰ বিষয়ে আলোচনা কৰক।

** ***** **